# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 14-04-2025
**Time :** 1845 hrs

ASSAMESE EVENING BULLETIN
HEADLINES
::::::::::::::::::

১। চ'ত আৰু ব'হাগৰ সংক্ৰান্তিত আজি ৰাজ্যজুৰি গৰু বিহু পালন।

২। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা হ'বলগীয়া ১৭ খন জিলাৰ প্ৰশাসন আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালকৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক।

৩। এক্সিছ বেংকৰ প্ৰাক্তন শাখা প্ৰবন্ধকক বিত্তীয় অনিয়মত জড়িত থকাৰ অভিযোগত চি বি আইৰ ডিব্ৰুগড়ত গ্ৰেপ্তাৰ।

৪। ভাৰতীয় সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেডকাৰৰ জয়ন্তী উদযাপন।

**আৰু**

৫। আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে বিহু উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৰে বিহুৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা বৈশাখী, পহিলা বৈশাখ, মেষাদি, পুতান্দু পিৰাপুকে ধৰি নৱবৰ্ষৰ উদসৱসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়াৰ বাপতিসাহোন ৰঙালি বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহুৱে সংস্কৃতি আৰু পৰিৱেশৰ মাজৰ চিৰ বিৰাজমান আন্তঃসম্পৰ্ক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

ৰাজ্যৰ আন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাতো উলহ-মালহেৰে গৰু বিহু পালন কৰা হৈছে। জিলাখনৰ বিভিন্ন নৈ-ঘাট আৰু অন্যান্য জলাশয়সমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। গৃহস্থসকলে মাহ-হালধীৰে নোৱাই-ধোৱাই গৰু-গাইবোৰৰ শ্ৰীবৃদ্ধি কামনা কৰে।

বজালী জিলাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পহুমৰা নৈৰ পাৰত পৰম্পৰাগত নিয়মেৰে স্থানীয় ৰাইজৰ সৈতে মিলি গৰু বিহু পালন কৰে। দৰঙতো সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰা বৰমপুৰ ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত নোৱা নৈৰ পাৰত গৰু বিহু পালন কৰা হয়। **বাক্সা** আৰু **ধুবুৰী** জিলাত পৰম্পৰা অনুযায়ী লাও-বেঙেনা-হালধী আদিৰ মালা গাঠি, গৰুৰ শিঙত তেল সানি নোৱাই-ধোৱাই গৰু বিহু পালন কৰা হয়।

শোণিতপুৰ জিলাৰ জামুগুৰিত বিধায়ক পদ্ম হাজৰিকাই পাঁচ শতাধিক গৰু-গাইক পৰম্পৰাগত নিয়মেৰে নোৱাই-ধোৱাই গৰু বিহুৰ পৰম্পৰা পালন কৰে।

ডিব্ৰুগড়তো কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চাবুৱাৰ বিন্ধাকটা মুলুক গাঁৱত গৰুক গা-ধুৱাই গৰু বিহু পালন কৰে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে থলুৱা ৰীতিৰে কণী যুঁজতো অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰো অংশ বিশেষে পৰম্পৰা ৰক্ষা কৰি কণী যুঁজৰ আয়োজন কৰা হৈছে। গোলাঘাটতো কৃষি মন্ত্ৰী অতুল বৰাই আনন্দ উলাহেৰে পৰম্পৰাগত কণী যুঁজ খেলত অংশগ্ৰহণ কৰে।

কামৰূপ জিলাত উত্তৰ গুৱাহাটী উত্তৰা অঞ্চল ৰঙালী সমিতিয়ে আজি গৰু বিহুৰ লগত সংগতি ৰাখি গছ্-গছনিকো বিহুৱান প্ৰদান কৰে।

শিলচৰতো ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে মিলি শিক্ষানুষ্ঠানটোৰ বাকৰিত গৰু বিহুৰ পৰম্পৰা পালন কৰে। ইয়াৰ লগতে অসমীয়া পৰম্পৰাগত হুঁচৰিও প্ৰদৰ্শন কৰা হয়।

উল্লেখযোগ্য যে আজিৰে পৰা ৰঙালী বিহুৰ অন্যতম সাংস্কৃতিক পৰম্পৰা হুঁচৰি পৰিৱেশনো আৰম্ভ হয়। চৰাইদেউ জিলাৰ চেমনীয়াসকলে জিলাখনৰ গ্ৰাম্যাঞ্চলসমূহত গৃহস্থৰ চোতালত হুঁচৰি পৰিৱেশন কৰিছে। একেদৰে শিৱসাগৰ, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট, মাজুলী ইত্যাদি উজনি অসমৰ বিভিন্ন অঞ্চলত পুৱাৰ ভাগত ৰাইজে গৰু নোওৱাৰ পাছত ঢোল-পেঁপাত ৰগৰ তুলি হুঁচৰিলৈ বুলি ওলাই আহিছে। চৰাইদেউ জিলাৰ পৰা হুঁচৰিৰ পৰিৱেশনৰ সৈতে এয়া আমাৰ সংবাদদাতা নবুল কোঁৱৰ–

*(বাইট ঃ নবুল কোঁৱৰ)*

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰে। **(মিউজিক)** এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি আৰু অন্যান্য লোক-নৃত্যৰ দলে অংশগ্ৰহণ কৰে। অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই এইদৰে কয়–

*(বাইট ঃ উৎপল শৰ্মা)*

ৰাজ্যৰ সত্ৰ সমূহতো আজি গৰু বিহুৰ লগত সংগতি ৰাখি চ'ত-ব'হাগৰ সংক্ৰান্তি পালন কৰা হৈছে। মাজুলী আৰু বৰপেটাৰ সত্ৰ অনুষ্ঠানসমূহত সূৰ্যৰ দিশ পৰিৱৰ্তন হোৱা এই সংক্ৰান্তিৰ সৈতে সম্পৰ্ক থকা ধৰ্মীয় আৰু লোক পৰম্পৰাসমূহ পালন কৰা হয়। মাজুলী জিলাৰ দক্ষিণপাট সত্ৰত গৰু বিহু আৰু চ'ত-ব'হাগৰ সংক্ৰান্তি অৰ্থাৎ মহাবিষুৱ সংক্ৰান্তি পালন সম্পৰ্কে এয়া সত্ৰাধিকাৰ ননী গোপাল দেৱ গোস্বামী–

*(বাইট ঃ ননী গোপাল দেৱ গোস্বামী)*

ইতিহাস প্ৰসিদ্ধ বকোৰ শক্তিপীঠ পাৰ্বতী পাহাৰত আজি বিষুৱ সংক্ৰান্তি উপলক্ষে পাৰ্বতী মেলাৰ উদযাপন কৰা হয়। বকো চহৰৰ পৰা চাৰি কিলোমিটাৰ দূৰত অৱস্থিত এই শক্তি পীঠত আজি ভক্তৰ সমাগম হয়।

ooooo

ৰাজ্যখনৰ বড়ো জনগোষ্ঠীৰ লোকসকলে পালন কৰা নৱবৰ্ষ আদৰণি উৎসৱ বৈশাগু উপলক্ষে জনগোষ্ঠীটোৰ বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। খাম, চেৰজা, চিফুং আৰু জাবশ্ৰিঙৰ ছন্দত চৌদিশ মুখৰ হৈ উঠিছে। বৈশাগু উপলক্ষে আজি কোকৰাঝাৰ নগৰৰ পৰা প্ৰায় ১০ কিলোমিটাৰ নিলগত থকা বাওখুংগ্ৰী পাহাৰ বগোৱা কাৰ্যসূচী অনুষ্ঠিত হয়। ল'ৰাৰ পৰা বুঢ়ালৈ বিভিন্ন বয়সৰ লোকে আজি এই কাৰ্যসূচীত অংশ লয়। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ দিনা পৰম্পৰাগত বিশ্বাস অনুসৰি জনগোষ্ঠীটোৰ লোকসকলে আজি এই পাহাৰখন বগাই অসূয়া-অশান্তি দূৰ কৰাৰ বাবে সংকল্প লয়। পাহাৰৰ শীৰ্ষত উপনীত হোৱাসকল অসুখ-বিসুখৰ পৰা ৰক্ষা পৰে বুলিও বিশ্বাস প্ৰচলিত আছে।

ইপিনে, জিলাখনৰ হৰিণাগুৰিত থকা এই পাহাৰত পৰহিৰে পৰা অনুষ্ঠিত দ্বাদশ বাওখুংগ্ৰী মহোৎসৱৰ আজি সামৰণি পৰিব।

বিটিআৰৰ পৰ্যটন বিভাগে শনিবাৰে চাইক্লিং প্ৰতিযোগিতাৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰিছিল। ৩ দিনীয়া এই মহোৎসৱৰ অংশ হিচাপে পাহাৰ বগোৱা, চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা হ'বলগীয়া ১৭খন জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন-টি-এৰ সঞ্চালকৰ সৈতে আজি এখন বৈঠকত মিলিত হয়। অসম আৰক্ষীৰ বিশেষ অনুসন্ধানত ৰাজ্যৰ ব্যক্তিগত পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষাত উত্তীৰ্ণ কেইগৰাকীমান শিক্ষাৰ্থীয়ে অস্বাভাৱিকভাৱে বেছি নম্বৰ লাভ কৰাক লৈ এই বৈঠকৰ আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে জাৰি কৰা নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়মৰ ক্ষেত্ৰত আপোচ নকৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ড০ শৰ্মাই অহা ৪ মে'ত হ'বলগীয়া এই পৰীক্ষা অত্যন্ত স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰি দেশৰ বাবে দৃষ্টান্ত দাঙি ধৰিবলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষাৰ সকলো কেন্দ্ৰ কেৱল চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত মহাবিদ্যালয়ত হ'ব। পৰীক্ষাৰ সামগ্ৰী সৰবৰাহ, বিতৰণ আৰু জমা ৰখাৰ সৈতে সম্পৰ্কিত বিষয়সমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। তদুপৰি পৰীক্ষা কেন্দ্ৰসমূহত প্ৰাৰ্থীসকলৰ আধাৰ কাৰ্ড আধাৰিত বায়োমেট্ৰিক প্ৰমাণিকৰণ ব্যৱস্থা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা-চি বি আইয়ে আজি গুৱাহাটীৰ ডি. বি. ষ্টক কনচালটেন্সিৰ বিত্তীয় অনিয়মত জড়িত থকাৰ অভিযোগত মহানগৰীৰ এক্সিছ বেংকৰ প্ৰাক্তন শাখা প্ৰবন্ধক পুষ্পজিৎ পুৰকায়স্থ আৰু সন্দীপ গুপ্তাক ডিব্ৰুগড়ৰ পৰা গ্ৰেপ্তাৰ কৰে। চিবিআইয়ে প্ৰকাশ কৰা অনুসৰি পুৰকায়স্থই ডি বি ষ্টকৰ হৈ অধিক ধন ঘূৰাই দিয়াৰ ভুৱা প্ৰতিশ্ৰুতিৰে জনসাধাৰণক বিনিয়োগৰ বাবে আকৰ্ষিত কৰি অবৈধভাৱে ধন উপাৰ্জন কৰিছিল। পুৰকায়স্থই মুম্বাই আৰু গুৱাহাটীৰ একাংশ বিনিয়োগকাৰীক আকৰ্ষিত কৰি এই অসাধু কাৰ্য চলাই আহিছিল। একেদৰে ডি বি ষ্টকৰ অন্যতম এজেণ্ট হিচাপে পৰিচিত সন্দীপ গুপ্তাই একেধৰণৰ ভুৱা প্ৰতিশ্ৰুতিৰে কমেও ৩৫০তকৈও অধিক গ্ৰাহকৰ পৰা ধন সংগ্ৰহ কৰিছিল। ইয়াৰ বিনিময়ত সংস্থাটোৰ পৰা তেওঁ লক্ষাধিক টকা উপাৰ্জন কৰিছিল বুলি চি বি আইৰ তদন্তত প্ৰকাশ পাইছে। উল্লেখযোগ্য যে চি বি আইয়ে ইতিমধ্যে ডি বি ষ্টকৰ স্বত্বাধিকাৰী দিপাংকৰ বৰ্মনৰ বিৰুদ্ধে দেশজুৰি ১০ হাজাৰৰো অধিক লোকক প্ৰৱঞ্চনা কৰি ৪০০ কোটিৰো অধিক ধন সংগ্ৰহ কৰাৰ অভিযোগনামা দাখিল কৰিছে বুলি সংস্থাটোৱে প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ আজি ১৩৫ সংখ্যক জয়ন্তী। স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ, আইনবিদ আৰু সমাজ সংস্কাৰক ড০ আম্বেদকাৰৰ ১৮৯১ চনৰ আজিৰ দিনটোতে মধ্য প্ৰদেশৰ এটা দলিত পৰিয়ালত জন্ম হৈছিল। তেওঁৰ জন্মদিনটোত প্ৰতি বছৰে সমতা দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণক বহুমুখী ব্যক্তিত্বসম্পন্ন সমাজ সংস্কাৰকজনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলিত আৰু বঞ্চিতসকলৰ কাৰণে অহৰহ যুদ্ধৰত ন্যায়বীৰজনৰ আদৰ্শই ভাৰতবাসীক সদায়েই অনুপ্ৰাণিত কৰি যাব বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও সামাজিক ন্যায় আৰু সমতাকাংক্ষী আম্বেদকাৰৰ আদৰ্শ আৰু দৰ্শনে কোটি কোটি ভাৰতবাসীৰ কাৰণে ন্যায় লাভৰ পাথেয় হৈ আহিছে বুলি মন্তব্য কৰে।

আজি অখিল ভাৰতীয় বাল্মিকী মহাপঞ্চায়তৰ উদ্যোগত ছাবিপুল বাল্মিকী সেৱা সমিতিয়ে আয়োজন কৰা আম্বেদকাৰ জয়ন্তীত উপস্থিত থাকি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই গুৱাহাটী পৌৰ নিগমৰ ছাবিপুল তিনিআলিক আম্বেদকাৰ চ'ক হিচাপে নামকৰণ কৰাৰ ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে বাল্মিকী কল'নীত এটা গভীৰ নলী-নাদ উদ্বোধন কৰাৰ লগতে এটা প্ৰেক্ষাগৃহ আৰু অনাময় ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰে।

আম্বেদকাৰ জয়ন্তী উপলক্ষে ভাৰতীয় জনতা পাৰ্টীয়ে আয়োজন কৰা এটা অনুষ্ঠানত পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাৰতীয় সংবিধান প্ৰণেতাজনৰ জীৱন আৰু

কৰ্মৰাজিৰ বিষয়ে এখন প্ৰদৰ্শনী অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াও এই অনুষ্ঠানত উপস্থিত থাকে।

০০০০০

কাৰ্বি আলং জিলাৰ ডিফু অগ্নিনিৰ্বাপক বাহিনী সেৱা কেন্দ্ৰৰ উদ্যোগত আজিৰে পৰা অগ্নিনিৰ্বাপক সপ্তাহ পালন কৰা হৈছে। এই উপলক্ষে পুৱাৰ ভাগত চাফাই কাৰ্যসূচীৰ লগতে গছ-পুলি ৰোপন কৰা হয়। অগ্নিনিৰ্বাপক সপ্তাহৰ সৈতে সংগতি ৰাখি জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ মাজত অগ্নিকাণ্ড আৰু ল'বলগীয়া সাৱধানতা সন্দৰ্ভত এলানি সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০

গুৱাহাটী মহানগৰীত পৰিবহন আইন উলংঘা কৰি চলাচল কৰা ডাম্পাৰসমূহৰ বিৰুদ্ধে মহানগৰ আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰীখনত পথ সুৰক্ষা নিশ্চিত কৰাৰ লগতে যান-বাহন আইন কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ আইন উলংঘাকাৰী চালকসকলৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে তালাচী অভিযান তীব্ৰ কৰি তোলা হৈছে। আৰক্ষীয়ে কালি পৰ্যন্ত কমেও ৯৪ খন ডাম্পাৰ নিৰীক্ষণ কৰাৰ লগতে ১৭টা আইন উলংঘনকাৰী কাৰ্য চিনাক্ত কৰে। আৰক্ষীয়ে এই অভিযানৰ পাছত এজাহাৰ দাখিল নকৰাকৈয়ে ছটা গোচৰ আদালতলৈ প্ৰেৰণ কৰিছে। তদুপৰি ছখন ই-চালান জাৰি কৰা হৈছে, তিনিখন বাহন জব্দ কৰা হৈছে আৰু দুজন ডাম্পাৰ চালকৰ অনুজ্ঞা বাতিল কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে এই অভিযান অব্যাহত ৰাখিব আৰু আইন উলংঘাকাৰী ডাম্পাৰ চালকক ৰেহাই দিয়া নহ'ব বুলি স্পষ্ট কৰি দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে এতিয়ালৈকে ৬খন খেলৰ ভিতৰত চাৰিখনত জয়লাভ কৰে। আনহাতে চেন্নাই ছুপাৰ কিংছে বৰ্তমানলৈ ৬খন খেলত অৱতীৰ্ণ হৈ মাত্ৰ এখন খেলতহে বিজয়ী হয়।

০০০০০

সমাপ্ত